মিঃ বৰুৱাৰ আই-চি-এচ্ পৰীক্ষাৰ ফলাফলৰ তথ্য আদি বৰ্ত্তমান লিখকে সংগ্ৰহ কৰিছিল। নকৈ গোটোৱা এই সকলোখিনি কথা তৃতীয় সংস্কৰণত সঁজুলিৰূপে ব্যৱহাৰ কৰা হৈছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে এই ডেৰকুৰি বছৰৰ ভিতৰত আনন্দৰাম বৰুৱাৰ সমসাময়িক পুৰুষসকল এটি-এটিকৈ অন্তৰ্দ্ধান হৈ আহিল।

যোৰহাটৰ কবি শ্ৰীমান আনন্দচন্দ্ৰ বৰুৱাদেৱে ১৯২৭ চনৰ ২৮ নৱেম্বৰ তাৰিখে পণ্ডিত অন্নদাচৰণ তৰ্কচূড়ামণি ডাঙৰীয়াক, কাশীত থকা অসমীয়া ছাত্ৰবৃন্দৰে সৈতে, লগ ধৰি তেখেতে কোৱা কথাখিনি লিপিবদ্ধ কৰি টোকা এটি লিখকলৈ পঠিয়ায়। গুৱাহাটীৰ লয়াৰ্চ বুক ষ্টলৰ উদ্যোগী প্ৰতিষ্ঠাতা শ্ৰীমান বিচিত্ৰনাৰায়ণ দত্ত-বৰুৱাদেৱে অতি আগ্ৰহৰে এই তৃতীয় সংস্কৰণ প্ৰকাশ কৰিছে। নৱজীৱন প্ৰেছৰ গৰাকী শ্ৰীকালীচৰণ পালদেৱে কম সময়ৰ ভিতৰতে পুথিখনৰ ছপা কাম শেষ কৰিছে। আৰু নলবাৰী কালাগ নিবাসী শ্ৰীমান হেমৰথ বৰ্ম্মনে প্ৰকাশ সম্পৰ্কীয় কামত নানান প্ৰকাৰে সহায় কৰিছে। এই-চাৰিওজনলৈকে এইখিনিতে ধন্যবাদ জনালোঁ।—গুৱাহাটী, ১৫ অক্টোবৰ ১৯৫৫ চন।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

# সূচীপত্ৰ


| বিষয় | পিঠি |
|---|---|
| গ্ৰন্থকাৰৰ নিবেদন | ৫ |
| ভূমিকা। পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ১৯ |


## জীৱন-কাহিনী


| | |
|---|---|
| আৰম্ভণ | ১ |
| পূৰ্ব্বপুৰুষ আৰু লৰাকাল | ১৭ |
| কলিকতাৰ কলেজত | ২৮ |
| বিলাতত | ৩৫ |
| শিৱসাগৰত মাজিষ্ট্ৰেট | ৪৭ |
| বঙ্গৰ নানা ঠাইত | ৫৪ |
| নোৱাখালীত মাজিষ্ট্ৰেট | ৬৪ |
| নৰিয়া আৰু মৃত্যু | ৭৭ |
| শোক-প্ৰকাশ | ৮৪ |
| ঘৰুৱা জীৱন আৰু চৰিত্ৰ | ৮৯ |


## সাহিত্য-প্ৰতিভা


| | |
|---|---|
| আনন্দৰাম বৰুৱাৰ সাহিত্য-প্ৰতিভা | ১০৫ |
| গ্ৰন্থাৱলীৰ পৰিচয় | ১১৪-১৬০ |
| ইংৰাজী-সংস্কৃত অভিধান | ১১৪ |
| উচ্চ সংস্কৃত ব্যাকৰণ | ১২০ |

| বিষয় | পিঠি |
|---|---|
| ভাৰতৰ প্ৰাচীন ভূগোল ... ... ... | ১২২ |
| ভৱভূতিৰ মহাবীৰচৰিত ... ... ... | ১২৩ |
| সংস্কৃত শিক্ষাথাৰ সহচৰ ... ... ... | ১২৭ |
| ভৱভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ ঠাই ... | ১৩২ |
| সংস্কৃত ভাষাৰ বৃহৎ ব্যাকৰণ ... ... | ১৩৮ |
| (ক) দশম খণ্ড—ছন্দ প্ৰকৰণ ... ... | ১৪৩ |
| (খ) তৃতীয় খণ্ড—নানাৰ্থ সংগ্ৰহ ... ... | ১৪৬ |
| বামণ বাগভট্ট আৰু সৰস্বতীকণ্ঠাভৰণ ... ... | ১৫৩ |
| সৰস্বতীকণ্ঠাভৰণ ... ... ... | ১৫৪ |
| ধাতুবৃত্তিসাৰ ... ... ... | ১৫৬ |
| অমৰসিংহৰ নামলিঙ্গানুশাসন ... ... | ১৫৭ |
| ধাতুকোষ বা ধাতুপাঠ ... ... ... | ১৬০ |


## ওপৰঞ্চি


| | |
|---|---|
| ১। মিঃ বৰুৱাৰ বিষয়ে গ্ৰন্থকাৰৰ অন্যান্য প্ৰবন্ধাৱলী ... | ১৬১ |
| ২। মিঃ বৰুৱাৰ জীৱন আৰু প্ৰতিভাৰ সমাদৰ সমালোচনা | ১৮৪ |
| ৩। মিঃ বৰুৱাৰ মৃত্যুৰ পাচত শোকপ্ৰকাশক মন্তব্য | ১৯৫ |
| ৪। মিঃ বৰুৱাৰ গ্ৰন্থাৱলীৰ বিষয়ে মতামত | ২০০ |
| ৫। মিঃ বৰুৱাৰ আত্মবিষয়ক বাক্য আৰু কবিতাৱলী | ২১০ |
| ৬। বঙ্গালী ভাষাত মিঃ বৰুৱাৰ সমাদৰ | ২১৪ |
| ৭। আনন্দৰাম বৰুৱাৰ বিষয়ে গীত | ২৩০ |
| ৮। নতুন কথা | ২৩২-২৩৭ |

# ভূমিকা

এই কিতাপখনিৰ গ্ৰন্থকাৰ, কটন কলেজৰ ইংৰাজী সাহিত্যৰ অধ্যাপক, শ্ৰীমান সূৰ্য্যকুমাৰ ভূঞাদেৱে স্বৰ্গীয় আনন্দৰাম বৰুৱা ডাঙৰীয়াৰ জীৱন-চৰিত এখনি লিখিবৰ যোগা কৰিয়েই মোৰ আগত প্ৰস্তাৱ কৰিছিল যে মই তেওঁৰ কিতাপখনিৰ ভূমিকা লিখিব লাগে। মই তেওঁৰ সেই প্ৰস্তাৱত অতি আগ্ৰহেৰে সম্মত হলোঁ। মই ভূমিকা লিখি যে ভূঞাদেৱৰ ৰচিত জীৱন-চৰিতত আৰু বহণ লগাই তাক অসমীয়া ৰাইজৰ বেচি হৃদয়গ্ৰাহী কৰিম এনে আশাক কেতিয়াও মনত ঠাই দিয়া নাছিলোঁ; কিয়নো সোণত সোণ চৰোৱা আৰু পদুমত বহণ লগোৱা আশা মোৰ কেতিয়াও নাছিল আৰু এতিয়াও নাই। এনে এখন বিত্তোপন কিতাপৰ ভূমিকা লিখাত যি গৌৰৱ আছে তাৰ লোভ সামৰিব নোৱাৰিহে মই অনেক অসুবিধা থকাতো তাত সম্মত হলোঁ। তাত বাজেও স্নেহাস্পদ ভূঞাদেৱৰ অনুৰোধ উপেক্ষা কৰাও মোৰ পক্ষে সহজ কথা নাছিল।

ভূমিকা লিখকৰ প্ৰধান কাম হৈছে পাঠকৰ সৈতে গ্ৰন্থখনিৰ পৰিচয় কৰি দিয়া, কিন্তু বৰ্ত্তমান ক্ষেত্ৰত এই গ্ৰন্থখনি নিজেই নিজৰ উৎকৃষ্ট পৰিচয়। এই পুথিখনি যিজন মহাপুৰুষৰ জীৱন-চৰিত, তেওঁৰ নাম অসমত নেলাগে ভাৰতবৰ্ষতো সীমাবদ্ধ নহয়। তেওঁ অসমৰ নহয়, ভাৰতৰো নহয় বিশ্বজগতৰ ভিতৰৰ এজন। সেই গুণে তেওঁৰ বিশেষ পৰিচয়ৰ কোনো আৱশ্যক নাই। আৰু এই কিতাপৰ ৰচয়িতা যিজন তেৰো অসমীয়া উঠি অহা ডেকা লেখাক সকলৰ ভিতৰত এজন স্বনামধন্য প্ৰসিদ্ধ লিখক, তেওঁৰো বিশেষ পৰিচয়ৰ আৱশ্যক নাই। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ এজন প্ৰতিভাশালী ছাত্ৰ আৰু তেওঁ ছাত্ৰ জীৱনতে অসমীয়া সাহিত্যৰ নিভাজ সেৱকৰ অশেষ নিদৰ্শন দেখুৱাইছে আৰু এতিয়া তেওঁ, কঠোৰ

কর্ম্মক্ষেত্রত প্রবেশ কৰিও সেই পথৰ পৰা অলপো বিচলিত নহৈ ববং অতুলনীয় অনুৰাগেৰে জাতীয় সাহিত্যৰ উন্নতিৰ বাটত ককালত টঙ্গালি বান্ধি অদম্য উৎসাহেৰে আগ বাঢ়িছে। অসমীয়া বাইজে তেওঁৰ পৰা বহুত আশা কৰিছে। ভগৱানে যেন তেওঁক দীর্ঘজীবী কৰি জাতীয় সাহিত্যৰ উন্নতি সাধন কৰিবলৈ সমর্থ কৰে।

বোধ কৰোঁ সকলোৱে স্বীকাৰ কৰিব যে আধুনিক অসমীয়া সাহিত্যত ভাল জীৱন-চৰিত এখনিও নাই। স্বর্গীয় গুণাভিৰাম বৰুৱাই লিখা "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত" এখনি সুন্দৰ কিতাপ হলেও, তাৰ লিখা প্রণালীত অনেক খুঁত দেখিবলৈ পোৱা যায়। এই কিতাপখনিত স্বৰ্গীয় ঢেকিয়াল ফুকন ডাঙৰীয়াৰ বিষয়ে যিবোৰ সবঞ্জাম আছে তাকে ভালকৈ জুকিয়াই আৰু সজাই-পৰাই লিখিলে আমাৰ সাহিত্যত যে এখন অতি ৰূপহ কিতাপ ওলাব তাৰ একণো ভুল নাই। ভূঞাদেৱৰ এই জীৱন-চৰিতে আমাৰ সাহিত্যৰ এটা বৰ ডাঙৰ অভাৱ পূৰ কৰিলে বুলি মোৰ বিশ্বাস। আজি-কালি আমি অনেকে যদিও শিক্ষা আৰু সভ্যতাৰ অভিমান কৰোঁহঁক আৰু দেশৰ উন্নতিৰ নিমিত্তে, জাতীয় সাহিত্যৰ উন্নতিৰ নিমিত্তে, ডাঙৰ ডাঙৰ সভা পাতি, তাত ডাঙৰ দীঘল 'সাৰুৱা' প্ৰস্তাৱ 'ডাঙ্গি' ধৰোঁহঁক, তথাপি সাহিত্য ভৰ্ড়ালৰ খোটালিবিলাক আগৰ যেনে উদং এতিয়াও তেনে উদং। ববং আগৰ দিনৰ অৱস্থা আজি-কালিৰ অৱস্থাতকৈ যে অনেক গুণে ভাল আছিল তাক ডাঠি কব পাৰি।

অকল জীৱন-চৰিতৰ বিষয় ধৰিলেও অসমীয়া সাহিত্যৰ আজি যেনে নিঃকিন অৱস্থা, দু-শ, তিনি-শ বছৰৰ আগেয়ে তেনে নাছিল। আমাৰ দেশত জনম লোৱা প্ৰায় বিলাক মহৎ লোকৰে জীৱন-চৰিত লিখা হৈছিল। দেৱ দামোদৰৰ প্ৰায় চাৰি পাঁচখন জীৱন-চৰিত আছে, শঙ্কৰদেৱৰ ছয় সাতখন জীৱন-চৰিত আছে; আৰু হৰিদেৱ, বংশীদেৱ

আদি আন আন ধৰ্ম্মাচাৰ্য্যৰো জীৱন-চৰিত আছে। অকল যে পুৰুষ মানুহবহে জীৱন-চৰিত লিখা হৈছিল এনে নহয়, খ্যাতনামা তিৰুতাৰো জীৱন-চৰিত লিখা হৈছিল, আৰু সকলোৰে তাক আগ্ৰহেৰে পঢ়িছিল, যেনে "আইলক্ষ্মী চৰিত।" সেই গুণে দেশৰ ধৰ্ম্মবীৰ আৰু কৰ্ম্মবীৰ সকলৰ জীৱন-চৰিত লিখা আৰু তাক আদৰেৰে পঢ়া অসমীয়া মানুহৰ পক্ষে একো ন-কথা নহয়, যদিবাও এই উন্নত যুগত আমি সেই বিষয়ে অলপ পিচ পৰিছোহঁক। নিৰাশ-ডাৱৰে আবৰি থোৱা অসমীয়া সাহিত্য আকাশত ভূঞাদেৱে আনন্দৰাম বৰুৱাৰ জীৱন-চৰিত লিখি যি আশাৰ বিজুলী সঞ্চাৰ কৰিছে, আশা কৰিছোঁ, তাৰ জেউতিতে অনেক পথভ্ৰান্ত বাটকৰাই ঘোপমৰা এন্ধাৰতো নিজ নিজ বাট দেখিবলৈ পাব।

স্বৰ্গীয় আনন্দৰাম বৰুৱাৰ জীৱন-চৰিত সকলো অসমীয়াই, বিশেষকৈ শিক্ষিত অসমীয়াই, অতি মনোযোগেৰে আলোচনা কৰা উচিত। মহৎ লোকৰ জীৱন-চৰিত্ৰ পঢ়া, জীৱন আৰু চৰিত্ৰ গঠনৰ এটা প্ৰধান উপকৰণ; দেশীয় মহৎ লোকৰ জীৱন-চৰিত্ৰ যে সেই বিষয়ত আৰু সহায়কাৰী তাক কোৱাৰে সকাম নাই; যি জাতিয়ে নিজৰ দেশৰ মহৎ লোকবিলাকক আদৰ কৰিবলৈ শিকা নাই সেই জাতি কেতিয়াও উধাব নোৱাৰে। বুৰঞ্জীয়ে আমাক দৰ্শনশাস্ত্ৰৰ তত্ত্ববিলাক দৃষ্টান্তেৰে শিক্ষা দিয়ে এই কথা সঁচা হলে, মহৎ লোকৰ জীৱন-চৰিত্ৰেও যে আমাক দৰ্শনশাস্ত্ৰৰ তত্ত্ব শিক্ষা দিয়ে তাৰ কোনো ভুল নাই, কিয়নো মহৎ লোকৰ জীৱন-চৰিত্ৰও বুৰঞ্জীৰ একো একোটি অধ্যায় মাথোন। আনন্দৰাম বৰুৱাৰ জীৱনৰ ঘটনাৱলীত এই দেশত পাশ্চাত্য শিক্ষাৰ প্ৰচলন, বিস্তাৰ আৰু তাৰ পৰিণতিৰ উজ্জ্বল উদাহৰণ দেখিবলৈ পোৱা যায়। অসমীয়া ডেকাৰ নিমিত্তে আনন্দৰাম বৰুৱাৰ জীৱন-চৰিত যেনেকুৱা শিক্ষাৰ স্থল, আন কোনো জীৱন-চৰিতেই তেনে শিক্ষাৰ স্থল নহয়। কিয়নো, তেওঁৰ জীৱনৰ প্ৰত্যেক ঘটনাৰ লগতে, তেওঁৰ সকলো

সুবিধা-অসুবিধাতে, তেওঁৰ প্ৰত্যেক পাৰিপাৰ্শ্বিক অৱস্থাতে, তেওঁৰ প্ৰত্যেক আশা-ভৰসাতে অসমীয়া ডেকাই নিজ নিজ জীৱনৰ প্ৰতিবিম্ব দেখিবলৈ আশা কৰিব পাৰে আৰু তেওঁকে আহি লৈ জীৱনৰ বাটত সাহসেৰে আগ বাঢ়িব পাৰে। বাস্তবিকেও এইজন মহাপুৰুষৰ চৰিত্ৰ অসমীয়া ডেকাৰ পক্ষে ধ্ৰুৱতৰাৰ নিচিনা লক্ষ্য-নিৰ্দ্দেশক।

এনেহেন এজন কৰ্ম্মবীৰৰ জীৱন-চৰিত ভূঞাদেৱে অসমীয়া মানুহৰ হাতত দি আজি দেশৰ যি অশেষ কল্যাণ সাধন কৰিলে আৰু অসমীয়া সাহিত্য-ভঁৰালত এখন মৌলিক গবেষণাৰ গ্ৰন্থ স্থাপন কৰি জাতীয় সাহিত্যৰ যি সম্পদ বঢ়ালে, তাৰ নিমিত্তে তেওঁ আমাৰ অশেষ ধন্যবাদৰ পাত্ৰ। এই পুথিখনি ভূঞাদেৱৰ অনেক সাধনাৰ ফল। তপস্যা নহলে জগতত কোনো ডাঙৰ কামেই সাধিত হব নোৱাৰে। এই পুথিখনি লেখোঁতে তেওঁ কিমান অনুসন্ধান কৰিব লগা হৈছিল তাক পুথিখনি মন দি পঢ়িলেই সকলোৱে দেখিবলৈ পাব। তেওঁৰ এই পুথি পঢ়ি, এই পুথি যি বিজ্ঞান-সম্মত প্ৰণালীত লিখা হৈছে তাক দেখি, অনেক অসমীয়া লিখকৰ যে চকু মুকলি হব সেই বিষয়ত কোনো সন্দেহ নাই। আশা কৰিছোঁ যে সকলো অসমীয়াই এই পুথিখন লৈ, এবাৰ পঢ়ি চাই নিজেও সাৰ্থকতা লাভ কৰে, আৰু ভূঞাদেৱকো আগলৈ আৰু ভাল ভাল কিতাপ লিখি আমাৰ মাতৃ ভাষাৰ উন্নতি কৰিবলৈ উৎসাহ দিয়ে। আমাৰ এই আশা যেন দুৰাশাত পৰিণত নহয়।

ভূঞাদেৱে জীৱন-চৰিতখনি যি ভাবে বিভাগ কৰিছে সি অতি বিতোপন হৈছে। প্ৰথমতে বৰুৱাদেৱৰ বংশ পৰিচয় দি, তেওঁৰ লৰাকাল আৰু শিক্ষাৰ বিষয়ে আলোচনা কৰিছে। তাৰ পাচত ক্ৰমে ক্ৰমে তেওঁৰ কলেজৰ শিক্ষা, বিলাতত শিক্ষা আদি কথা লিখি, তেওঁ কৰ্ম্মক্ষেত্ৰত প্ৰবেশ কৰি বেলেগ বেলেগ ঠাইত যি ভাৱে কাম কৰিছিল তাৰ বৰ্ণনা,

আৰু শেষত তেওঁৰ জীৱনৰ অন্তিম সময়ৰ ঘটনাবিলাকৰ উল্লেখ কৰি কিতাপৰ মূল অংশৰ সামৰণি মাৰিছে। ইয়াৰ পাচত তেওঁৰ অকাল-মৃত্যুত সকলো ঠাইতে কেনেকৈ শোকৰ উচ্ছ্বাস উঠিছিল তাৰ বিবৰণ দিয়া হৈছে। তেওঁৰ মৃত্যুত বিদেশৰ সুধীমণ্ডলীয়ে যেনে ভাবে শোক প্ৰকাশ কৰিছে, তাক পঢ়ি কোনো অসমীয়াই অন্তৰত গৌৰৱ অনুভৱ নকৰাকৈ থাকিব নোৱাৰে। ইয়াৰ পাচত গ্ৰন্থকাৰে বৰুৱা ডাঙৰীয়াৰ ঘৰুৱা জীৱন আৰু চৰিত্ৰ সম্বন্ধে সংক্ষেপ আলোচনা কৰিছে। এই অধ্যায়টি অতি সুন্দৰ হৈছে। ইয়াক পঢ়িলে বৰুৱা ডাঙৰীয়া সম্বন্ধে কাৰবাৰ ভুল ধাৰণা থাকিলে সি নিশ্চয় দূৰ হব। তাৰ পাচত আনন্দৰাম বৰুৱাৰ গ্ৰন্থবিলাকৰ বিষয়ে অতি বিশদ পৰিচয় দিয়া হৈছে। বৰুৱাদেৱৰ বিশ্বজগতত প্ৰতিষ্ঠাৰ যিবোৰ মূলীভূত কাৰণ, এই অধ্যায়তে তাক অতি পৰিপাটীৰূপে বৰ্ণনা কৰা হৈছে। পৰিশেষত বৰুৱাদেৱৰ সম্বন্ধে বেলেগ বেলেগ দেশৰ পণ্ডিতসকলৰ মতামত দি গ্ৰন্থখনি শেষ কৰিছে। এই বিবৰণীৰ পৰাই পাঠকসকলে ভূঞাদেৱে যি ভাবে কিতাপ-খনি সজাইছে তাক সহজে বুজিব পাৰিব, আৰু এই প্ৰণালী যে অতি সুন্দৰ হৈছে তাক সকলোৱে স্বীকাৰ কৰিব। কিতাপখনৰ নিমিত্তে এই উপকৰণবিলাক সংগ্ৰহ কৰিবলৈ ভূঞাদেৱে কিমান পৰিশ্ৰম কৰিব লগা হৈছিল তাকো সকলোৱে ভালকৈ বুজিব পাৰিব।

আমি এতিয়া স্বৰ্গীয় বৰুৱা ডাঙৰীয়াৰ বিষয়ে দুই এক কথা কৈ এই ভূমিকা শেষ কৰিম। ৺আনন্দৰাম বৰুৱা অসমীয়া হৈয়ো অসম দেশৰ, অসমীয়া জাতিৰ বা অসমীয়া ভাষা আৰু সাহিত্যৰ কোনো উপকাৰ কৰা নাছিল, সেই গুণে অসমীয়া মানুহে তেওঁৰ শলাগ লবৰ কোনো প্ৰয়োজন নাই ;—বৰুৱাদেৱৰ প্ৰতি এনে ভাবৰ প্ৰশ্ৰয় দিয়া এক শ্ৰেণীৰ মানুহ যে আমাৰ দেশত নাই তেনে নহয়, কিন্তু সেই বুলিয়েই যে "আনন্দৰাম বৰুৱাই অসমীয়াৰ স্মৃতি-ফলিত আজি পৰ্য্যন্ত হতীয়া সম্ভাষণ পোৱা নাই,"

এই কথা সঁচা নহয়। আচল কথা হৈছে এই কাৰ্য্যই অতদিন এজন সূৰ্য্যকুমাৰ ভূঞাৰ নিমিত্তে অপেক্ষা কৰিছিল।

আনন্দৰাম বৰুৱাই আমাৰ দেশৰ একো কাম কৰা নাছিল বুলি ভবা যি, আমাৰ শৰীৰৰ প্ৰত্যেক অঙ্গ-প্ৰত্যঙ্গই একে কামকে নকৰে বুলি বেজাৰ কৰাও সি। আমাৰ শৰীৰৰ বেলেগ বেলেগ অঙ্গই যেনেকৈ বেলেগ বেলেগ কাম কৰি শৰীৰক ৰক্ষা কৰে, সমাজ-শৰীৰৰ অঙ্গস্বৰূপ বিভিন্ন ব্যক্তিয়েও বিভিন্ন কাম কৰি তেনেকৈয়ে সমাজৰ সেৱা কৰে। হাতে যেনেকৈ মূৰৰ কাম নকৰে বা কৰিব নোৱাৰে, সেইদৰে সাত্বিক প্ৰবৃত্তিৰ এজন লোকে ৰাজসিক প্ৰবৃত্তিৰ এজন লোকৰ কাম কৰিব নোৱাৰে আৰু নকৰে। সকলো মানুহে নিজৰ প্ৰবৃত্তি অনুসাৰে সমাজৰ সেৱা কৰে। ভট্টদেৱে যিভাবেৰে সমাজৰ সেৱা কৰি গৈছে, লাচিত ফুকনে সেই ভাবেৰে সমাজৰ সেৱা কৰি যোৱা নাই। অথচ দুইজনেই সমাজৰ নিভাঁজ সেৱক আৰু দুইজনেই দেশৰ উজ্জ্বল ৰত্ন।

আনন্দৰাম বৰুৱা এজন শান্তিপ্ৰিয় জ্ঞানপিপাসু সাত্বিক প্ৰবৃত্তিৰ লোক আছিল। তেওঁৰ পৰা যি কাম আশা কৰিব পাৰি তাক তেওঁ অলপ বয়সৰ ভিতৰতে অতি পৰিপাটীৰূপে সমাধা কৰি গৈছে। তেওঁৰ প্ৰতিভাৰ ফলত আজি অসমীয়া জাতিয়ে পৃথিৱীৰ আন আন সুসভ্য জাতিৰ শাৰীত ঠাই পাইছে। ইয়াতকৈ আৰু তেওঁৰ পৰা কি ডাঙৰ কাম আশা কৰিব পাৰি? সঁচা কথা তেওঁৰ বিশাল প্ৰতিভা অসমীয়া জাতিতে আবদ্ধ নাছিল। তেওঁ যেতিয়া জাতিৰ কথা ভাবিছিল, তেতিয়া তেওঁ সমগ্ৰ আৰ্য্য-জাতিৰ কথা ভাবিছিল, আৰু তেওঁ যেতিয়া ভাষা আৰু সাহিত্যৰ কথা ভাবিছিল, তেতিয়া তেওঁ সংস্কৃত ভাষা আৰু সাহিত্যৰ কথা ভাবিছিল। তেওঁৰ বিশাল অন্তঃকৰণত সংস্কৃত ভাষাই মাতৃভাষাৰ ঠাই দখল কৰিছিল। তেওঁ Provincial Patriotism আৰু National Self-conceit-অৰ বহুত ওপৰত আছিল।

যিবিলাক প্ৰকৃত মহাপুৰুষ, সেই বিলাকে এনেকুৱা সঙ্কীৰ্ণতাৰ গণ্ডিৰ ভিতৰত কেতিয়াও আবদ্ধ থাকিব নোৱাৰে। তাৰ নিমিত্তে আনন্দৰাম বৰুৱাৰ গাত দোষ দিয়া নিচেই থেক মনৰহে চিন। যি দেশৰ হাৱা-পানীৰে তেওঁৰ তেজ মাংস গঠিত আছিল, সেই দেশক যে তেওঁ কেতিয়াও পাহৰা নাছিল, আৰু সেই দেশক যে তেওঁ দেহে-কেহে ভাল পাইছিল, তাৰ প্ৰমাণ, তেওঁ যেতিয়াই নিজৰ বিষয়ে উল্লেখ কৰিছে তেতিয়াই "আনন্দৰাম বৰুৱা প্ৰাগ্জ্যোতিষপুৰসম্ভবঃ" বুলিহে চিনাকি দিছিল। তেওঁ চিৰদিন বিদেশত থাকিও, বিদেশীৰ মাজত কাম-কাজ কৰিও "প্ৰাগ্জ্যোতিষপুৰনন্দন" বুলিহে গৌৰৱ আৰু আনন্দ লাভ কৰিছিল।

ভূঞাদেৱে কটন কলেজত বৰুৱাদেৱৰ মৰ্ম্মৰ মূৰ্ত্তি দেখিবলৈ হাবিলাষ কৰিছে। বৰুৱাদেৱৰ এনে বিধৰ স্মৃতি-ৰক্ষণত যে সকলো অসমীয়াই আনন্দ অনুভৱ কৰিব তাৰ সন্দেহ নাই, কিন্তু আমাৰ মনেৰে হলে তেওঁৰ English-Sanskrit Dictionary, অৰ্থাৎ, ইংৰাজী-সংস্কৃত অভিধানখনিৰ এটা নতুন সংস্কৰণ প্ৰকাশ কৰি উলিয়ালেহে বৰুৱাদেৱৰ উপযুক্ত স্মৃতি ৰক্ষা কৰা হব। কোনো যোগ্য অসমীয়াই এই কাৰ্য্যটি হাতত লবনে? আনন্দৰাম বৰুৱাৰ জীৱন-চৰিত লেখকৰ পৰাই এই প্ৰশ্নৰ এটি সন্তোষজনক উত্তৰ পাবলৈ আশা কৰি আমি এই ভূমিকাৰ উপসংহাৰ কৰিলোঁ।

শ্ৰীহেমচন্দ্ৰ গোস্বামী

২০-৭-১৯২০,
গুৱাহাটী।

# মজিন্দাৰ বৰুৱাৰ বংশাৱলী

- দুৰ্গাচৰণ ( মাণিকচন্দ্ৰ )
  - দামোদৰ
    - তুথীয়া বৰকাকতী
      - সহজানন্দ বৰকাকতী
        - দশৰথ বৰকাকতী
          - কমললোচন
            - ৰঘুৰাম মজিন্দাৰ বৰুৱা
              - ৰঘুনাথ মজিন্দাৰ বৰুৱা
                - গৰ্গৰাম মজিন্দাৰ বৰুৱা
                  - পৰশু
                  - জানকী
                  - আনন্দৰাম
                  - মণি
                  - আত্মা
                  - অমৃত
                  - কেশৱৰাম
                - কিনাৰাম
                - দণ্ডিৰাম
  - মাটিখোৱা
  - পৰশুৰাম

# উচৰ্গা

পৰমাৰাধ্য পূজনীয় দেউতা

শ্ৰীযুত ৰবিলাল ভূঞা ডাঙ্গৰীয়াৰ

চৰণকমলত

সন্তানৰ ভক্তিস্নেহৰ ক্ষুদ্ৰ চিনস্বৰূপে

**স্বৰ্গীয় আনন্দৰাম বৰুৱাৰ**

এই জীৱন-চৰিতখনি

অৰ্পণ কৰিলোঁ।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

ভাদ ১৮৪২ শক।

# আনন্দৰাম বৰুৱা।

## আৰম্ভণ

পণ্ডিতপ্ৰবৰ আনন্দৰাম বৰুৱা ইহসংসাৰৰ পৰা বিদায় লোৱা আজি ভালেমান বছৰ অতীত হল, তেওঁৰ বিষয়ে জানিব লগীয়া ঘাই কথাখিনি এতিয়াও ৰাইজৰ আগত সম্পূৰ্ণ হৈ ওলোৱা নাই। সেইদেখি পোনপ্ৰথমতে বৰ দুখেৰে কব লগাত পৰিছে যে আজিলৈকে কোনেও তেওঁৰ জীৱনী লিখিবলৈ আগবঢ়া নাই। আমাৰ অসমত এতিয়াও বহুত মানুহ আছে যি সকলে পৰা আনন্দৰামক দেখিছে, তেওঁৰ লগত একে-লগে পঢ়িছে, মাজিষ্ট্ৰেট হৈ থাকোঁতে তেওঁৰ লগত নানান প্ৰকাৰে ঘনিষ্ঠতা ৰাখিছিল, শেহত অগ্নিৰ গৰ্ভত তেওঁৰ দেহা বিসৰ্জ্জন কৰিছিল, তথাচ তেওঁলোকৰ কোনোজনে যে এই কামত আগবঢ়া নাই ইহে বৰ দুখৰ কথা। বঙ্গালী লেখক স্বৰ্গীয় ঠাকুৰদাস মুখোপাধ্যায়ে বৰুৱা ঢুকুৱাৰ মাহচেৰেকৰ পাচত 'সাহিত্য'ত এই বিষয়ে আক্ষেপ কৰিছিল; আজি ইমান বছৰ হল, সেই আক্ষেপৰ প্ৰতিধ্বনি দেশময় শুনা গৈছে, তথাচ সেই আক্ষেপৰ ওপৰত প্ৰতীকাৰৰ পাৰিজাত ফুল আজিলৈকে ফুলি উঠা নাই। আনন্দৰাম বৰুৱাৰ দুৰ্ভাগ্য তেওঁ পুৰাণ-প্ৰসিদ্ধ প্ৰাগজ্যোতিষপুৰত জন্ম লৈছিল; তেওঁৰ জন্ম হব লাগিছিল ভাৰতৰ আন কোনো গুণীৰ গুণ-বুজা উন্নত দেশত, তেতিয়া তেওঁ যথাযথ সম্মান পালেহেঁতেন, আনন্দৰামৰ গৌৰৱবাণীত দেশবাসীৰ প্ৰাণ মতলীয়া হলহেঁতেন।

ইয়াৰ কাৰণ এটা হব পাৰে। বহুতৰ মনত আক্ষেপ যে আনন্দৰাম বৰুৱাই জাতকুল এৰি বিলাতলৈ গৈ চিভিলিয়ান হল, বিদেশত মাজিষ্ট্ৰেট হৈ নিজৰ ধনৰ মোনা পূৰ কৰিলে, অসমীয়া মাতৃভাষা আৰু সাহিত্য এৰি সংস্কৃতৰ চৰ্চ্চা কৰিলে, এনেকি ভুলে-চুকেও অসমীয়া সাহিত্য বা অসমীয়া জাতিৰ কোনোবিধ মঙ্গল সাধি নগল। এনে স্থলত তেওঁৰ জীৱন-চৰিত আমাৰ আহিস্থল হব পাৰে কেনেকৈ? তেওঁৰ জীৱন চৰিত লিখি আমি তেওঁক পূজা কৰিম কেলেই? এইবোৰ কাৰণত আনন্দৰাম বৰুৱাই অসমীয়াৰ স্মৃতিকলিত আজি পূৰ্ণহৃতীয়া সম্ভাষণ পোৱা নাই, বি সম্ভাষণ পাইছে তাৰ গতি ভেকস্ৰোত গতি, সি গঙ্গাস্ৰোত গতি নহয়। কিন্তু আমি সোধোঁ ওপৰত উল্লকিউৱা কাৰণত যে আমি তেওঁৰ যথাযথ পূজা কৰা নাই, সেইবোৰ কাৰণ তেওঁৰ পূজাৰ অনুকূল নে প্ৰতিকূল।

আনন্দৰাম বৰুৱা একুৰি-উনৈচ বছৰ কাল এই সংসাৰত জীয়াই আছিল, এই কালৰ ভিতৰত তেওঁ অসমৰ দেখাতে একো উপকাৰ সাধি নগল, ই সঁচা। ব্যৱস্থাপক সভাত মিউনিচিপালিটিৰ টেক্স্ কমাবলৈ বা আন কোনো প্ৰস্তাৱ মেলি গৱৰ্ণমেণ্টক অনুৰোধ কৰা নাছিল ই সঁচা, কিন্তু সেই বুলি তেওঁৰ অসামান্য গুণৰাশিৰ কিবা বঢ়া-টুটা হ'লনে? তেওঁ আছিল সাহিত্য-আকাশৰ পূৰ্ণচন্দ্ৰ, সাহিত্যৰ অমিয়া পান কৰোঁতে তেওঁৰ আতমা বিভোৰ হৈছিল; শল্য আৰু প্ৰতিদ্বন্দ্বিতা-সমাকুল ৰাষ্ট্ৰীয়-ক্ষেত্ৰত থিয় হবলৈ তেওঁৰ প্ৰবৃত্তি বা অৱসৰ হয় কেনেকৈ? তেওঁ নিজেই এনাৰ আক্ষেপ কৰি কৈছিল,—"বজাঘৰীয়া কথা লৈ অনৰ্থক থোৱা-কামোৰা নকৰি আমাৰ নেতাসকলে যদি সংস্কৃত সাহিত্যৰ বহুমুলীয়া বস্তু-ৰাজি পোহৰলৈ অনাৰ কামত মন-প্ৰাণ ঢালে তেনেহলে দেশৰ পৰম উপকাৰ হয়।" বৰুৱাই এনেদৰে কোৱাৰ পৰা আমি ভাবিব নালাগে যে তেওঁ ৰাষ্ট্ৰনৈতিক দলৰ মানুহক কোনোপ্ৰকাৰে ভাল নেপাইছিল। ওপৰত কোৱা কথাষাৰৰ ভিতৰত থকা ভাব বা তাৎপৰ্য্যহে আমি গ্ৰহণ

কৰিব লাগিব; সংস্কৃত সাহিত্যৰ প্ৰতি তেওঁৰ অনুৰাগ ইমান প্ৰবল আছিল, আৰু সেই লুপ্তপ্ৰায় দেৱভাষাৰ কাৰণে কৰিব লগীয়া ইমান কাম আছিল বুলি তেওঁ ভাবিছিল যে আন কোনো মেধাবী মানুহে সংস্কৃত-চৰ্চ্চা এৰি আনৰ চৰ্চ্চাত ধৰিলে তেওঁ বেয়া পাইছিল। ৰাষ্ট্ৰনীতিৰ প্ৰতি প্ৰকৃত অৱজ্ঞাভাবৰ পৰা এই কথাষাৰ ওলোৱা নাই, ই তেওঁৰ সংস্কৃত সাহিত্যলৈ অতুলন অনুৰাগৰ পৰাহে ওলোৱা। যি উলাহত আনন্দৰাম বৰুৱাই এবাৰ চিঞঁৰি উঠিছিল,—"মোৰ পক্ষে সংস্কৃত ভাষাৰ নিচিনা মৰমৰ ভাষা আন একো নাই",—এই কথাষাৰো সেই উলাহৰ পৰা ওলোৱা।

তাৰ পাচত আনন্দৰাম বৰুৱা আছিল বঙ্গদেশত, ইমান ব্যস্ত হৈ থাকিব লগা মাজিষ্ট্ৰেটৰ কাম কৰিছিল, আৰু ইমান চেষ্টা গৱেষণা কৰি গ্ৰন্থ লিখিছিল, ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় ক্ষেত্ৰত দেশৰ উপকাৰ কৰিবলৈ তেওঁ অৱসৰ পায় ক'ত? স্বৰ্গীয় ৰমেশচন্দ্ৰ দত্তই চিভিলিয়ান হৈও দেশৰ উপকাৰ কৰিবলৈ সময় পাইছিল, এসময়ত কংগ্ৰেচৰ সভাপতিও হব পাৰিছিল, চিভিলিয়ান চাৰ কৃষ্ণগোবিন্দ গুপ্তই দেশৰ সেৱা কৰি ফুৰিছে, এনে স্থলত চিভিলিয়ান আনন্দৰাম বৰুৱাই নোৱাৰিলে কিয়? কিন্তু আমি কওঁ এওঁলোকে চৰ্কাৰী কামৰ পৰা আজৰি লৈহে দেশসেৱাত মন পাৰিছে। আনন্দৰাম বৰুৱাক কিন্তু নিঠুৰ কালে অকালতে হৰি নিলে। দেশৰ বৰেণ্য-স্বৰূপে আনন্দৰামক আমি দেখা নাপালোঁ, কলিকতা বিশ্ববিদ্যালয়ৰ ভাইচ্-চেন্সেলাৰ হৈ চিনেটৰ মিটিঙত সভাপতিৰ আসন গ্ৰহণ কৰা তেওঁক দেখা নাপালোঁ, নাইট্ উপাধি লৈ বিলাতৰ ইণ্ডিয়া-কাউন্সিলত তেওঁ স্থান নাপালে। কিন্তু এইবোৰ সন্মান তেওঁৰ কাৰণে স্থগিত আছিল। নিঠুৰ কালৰ গৰ্ভত সকলো লোপ পালে! আনন্দৰাম বৰুৱাৰ অস্তিত্বৰ পৰা জগতৰ যিখিনি প্ৰাপ্য আছিল, তাৰ আধাখিনিও উছুল নহল; তেওঁৰ গাত থকা 'চুপাৰমেন' বা অতিমানৱৰ

বিকাশ মুকুল অৱস্থাতে সমাপ্ত হল। গতিকে আনন্দৰাম বৰুৱাই অমুকটো নকৰিলে বুলি আমি আক্ষেপ কৰা যুগুত নহয়। এতিয়া চোৱা যাওক তেওঁলো আমাৰ কি কৰিলে।

আনন্দৰাম বৰুৱাই অসমলৈ এটি সম্মানৰ সোঁত বোৱালে, আন্তৰ্জাতি-সম্মিলনত আনন্দৰাম বৰুৱাই আমাক উচ্চ আসন দিয়ালে, সভ্য উন্নতিশীল জাতিৰ লগত পাণ্ডিত্যৰ সোণৰ শিকলিৰে তেওঁ আমাক সংযুক্ত কৰি গল। আমি অসমীয়াই আনন্দৰাম বৰুৱাৰ পৰা এইখিনি পাইছোঁ। আমাৰ দেশলৈ যেয়ে সম্মান আনে তেওঁকে আমি সম্মান কৰিম। মহাত্মা গোপালকৃষ্ণ গোখেলে এবাৰ কৈছিল,—"আমাৰ দেশলৈ যি সম্মান আনে তেৱেঁই আমাৰ সম্মানৰ পাত্ৰ। সকলো বিষয়তে সেই সম্মান বা উৎকৰ্ষৰ সোঁত বৰ লাগিব। তেহে কোনো জাতিৰ সৰ্ব্বাঙ্গীন উন্নতি হৈছে বুলি কব পাৰোঁ।" বিলাতত বৈজ্ঞানিক চাৰ উইলিয়েম ৰাম্‌চে, চাৰ অলিভাৰ লজৰ সম্মান; ৰাষ্ট্ৰনৈতিক লৰ্ড মৰ্লি, মিঃ লইড জৰ্জ্জৰ আপবিযেয় সম্মান; সেইদৰে নাটকীয় জগতত মিঃ যেথিচন লেং, মিচ্‌ এলেন্‌ টেৰী, চাৰ্লি চেপ্‌লিন আৰু মেক্‌চ্‌ লিণ্ডাৰৰো সম্মান। বিষয় যেয়ে হওক, সেই বিষয়ত উৎকৰ্ষ লাভেহে প্ৰতিভাৰ পৰিচয়। আনন্দৰাম বৰুৱাই গোটেই ভাৰতত নিজৰ নাম জ্বলালে, ইউৰোপীয় পণ্ডিত-সমাজত তেওঁ আসন লাভ কৰিলে, আমাক আৰু ইয়াৰ বেচি একো নালাগে। আমাৰ দেশৰ বায়ু, আমাৰ দেশৰ পানী আৰু অসমীয়াৰ খাৰখোৱা তেজ মাংসৰ পৰা জন্মগ্ৰহণ কৰি আনন্দৰামে ইমান কীৰ্ত্তি ৰাখিলে, সেয়ে যথেষ্ট। তেওঁৰ পৰা পাব লগীয়া আমাৰ শেষ হ'ল বুলি ধৰিম। আমি গুণীৰ গুণ বুজি বীৰ-পূজাত পিচ পৰিব পাৰোঁ, কিন্তু আনন্দৰাম বৰুৱাই নানা ঠাইৰ নানা পণ্ডিতৰ পৰা অপৰ্য্যাপ্ত সম্মান লাভ কৰিছে। বঙ্গগৌৰৱ ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, পণ্ডিতশিৰোমণি মহামহোপাধ্যায় মহেশচন্দ্ৰ ন্যায়ৰত্ন, কলিকতা হাইকোৰ্টৰ ভূতপূৰ্ব্ব জজ্ঞ আৰু কলিকাতা ইউনিভাৰ্চিটিৰ

সৰ্ব্বপ্ৰথম ভাৰতীয় ভাইচ চেন্সেলাৰ চাৰ গুৰুদাস বন্দ্যোপাধ্যায়, স্বনামখ্যাত ৰমেশচন্দ্ৰ দত্ত, কবি নবীনচন্দ্ৰ সেন, বোম্বেৰ সুপুত্ৰ কালে, আপ্তে, কেম্বি্‌জৰ চেচিল বেণ্ডেল, মিঃ জে. ডি. এণ্ডাৰ্‌চন্‌, অক্সফোৰ্ডৰ ভট্ট মোক্ষমূলাৰ আৰু থিয়দাৰ গোল্ড্‌ষ্টাকাৰ প্ৰমুখ্যে পূৰ আৰু পশ্চিমৰ জ্ঞানৰ অধিনায়কসকলে আনন্দৰাম বৰুৱাৰ বিশেষভাবে মোল বুজিছিল, আৰু তেওঁৰ অকাল মৃত্যুত সংস্কৃত সাহিত্যৰ যে কিমান ক্ষতি হৈছে তাক মুক্তকণ্ঠে স্বীকাৰ কৰিছিল।

পৌৰাণিক যুগৰ পৰা আৰম্ভ কৰি বৰ্ত্তমান কাললৈকে তিনিজনা অসমীয়া মহাত্মাই সৰ্ব্বভাৰতব্যাপী আন্দোলন চৰ্চ্চাত খ্যাতি লাভ কৰিছে। কামৰূপেশ্বৰ ভগদত্তই যেতিয়া চীন আৰু কিৰাত সৈন্য লৈ কৌৰৱ-পাণ্ডৱৰ মহাযুদ্ধত উপস্থিত হলগৈ, তেতিয়া উভয় পক্ষৰ বিপুল সৈন্য-বাহিনীৰ দৃষ্টি বিচিত্ৰ সমৰসজ্জাত বিভূষিত গজহস্তী পৰিবেষ্টিত অসমীয়া সৈন্যৰ ওপৰত নিপতিত হল। কুৰুক্ষেত্ৰ মহাযুদ্ধৰ লগে লগে ভগদত্ত নৃপতিৰ নাম গোটেই ভাৰতময় বিয়পি পৰিল। খৃষ্টীয় সপ্তম শতিকাত চীন পৰিব্ৰাজক হিৱেনচাঙ্গে যেতিয়া ভাৰত পৰিভ্ৰমণ কৰে, তেওঁ কামৰূপত অনেকদিন বাস কৰি নানা শাস্ত্ৰ অধ্যয়ন কৰে। তেতিয়া কামৰূপৰ ভিতৰত নানা শিক্ষাকেন্দ্ৰ আছিল, আৰু দেশৰ সমৃদ্ধি আন দেশৰ চকুত লগা আছিল। তেতিয়াৰ কামৰূপেশ্বৰ কুমাৰ ভাস্কৰবৰ্ম্মাৰ আতিথ্য আৰু কামৰূপী পণ্ডিতৰ পাণ্ডিত্যত মুগ্ধ হৈ চীন পৰিব্ৰাজকে এই দেশ এৰি যাবলৈ সহজে ইচ্ছা নকৰিছিল। তাৰ পাচত থানেশ্বৰৰ নৃপতি উত্তৰ ভাৰতৰ একচ্ছত্ৰ সম্ৰাট হৰ্ষবৰ্দ্ধনৰ বিশেষ চেষ্টাত কুমাৰ ভাস্কৰবৰ্ম্মাই হিৱেনচাঙ্গক উক্ত সম্ৰাটৰ ওচৰলৈ পঠিয়াই দিয়ে। গৌড়ৰাজ শশাঙ্কৰ বিৰুদ্ধে হৰ্ষবৰ্দ্ধনৰ বিৰোধ যুদ্ধ হয় সেইবোৰত কুমাৰ ভাস্কৰবৰ্ম্মা সম্ৰাটৰ প্ৰধান সহায় আছিল। তাৰ পাচত সম্ৰাটৰ সকলো শোভাযাত্ৰাত কুমাৰ ভাস্কৰবৰ্ম্মা অগ্ৰগণী আছিল। হিৱেনচাঙ্গৰ ভাৰত ভ্ৰমণ কাহিনী, বাণভট্টৰ